**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী দলৰ সাংসদসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্রেক্ষিতত সংসদৰ দুয়োখন সদন আজি দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি নতুন দিল্লীত সাংসদসকলৰ বাবে নৱনির্মিত ১৮৪ টা আৱাস উদ্বোধন কৰে।

৩। কৃষি মন্ত্রী শিৱৰাজ সিং চৌহানে আজি ৰাজস্থানৰ ঝুনঝুনত ৩০ লাখৰো অধিক কৃষকক তিনি হাজাৰ দুশ কোটি টকাৰ শস্য বীমা দাবীৰ ধন বিতৰণ কৰিব।

৪। আমেৰিকা আৰু ৰাছিয়াৰ মাজৰ যিকোনো চুক্তিতে ইউক্রেইন আৰু ইউৰোপীয় সংঘক অন্তর্ভুক্ত কৰিব লাগিব বুলি ইউৰোপীয় সংঘৰ বৈদেশিক নীতি প্রধান কাজা কাল্লাচে প্রকাশ কৰিছে।

আৰু

৫। অসমৰ বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ দেহাৱসান ঘটিছে।

0000000

বিৰোধী দলৰ সাংসদসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্রেক্ষিতত সংসদৰ দুয়োখন সদন আজি দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত ৰাজ্যসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ পাছতে উপ-সভাপতি হৰিবংশে শূন্যকাল চলাই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী দলৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী আৰু অন্যান্য বিষয় লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। উপ-সভাপতিগৰাকীয়ে কয়, যে তেওঁ বিভিন্ন ৰাজনৈতিক দলৰ পৰা সদন স্থগিত ৰখাৰ বাবে ২৯ খন আবেদন লাভ কৰিছে আৰু ইয়াৰে ১৮ খন বিচাৰাধীন বিষয়ৰ সৈতে জড়িত। তেওঁ লগতে কয়, যে নীতি অনুসৰি বিচাৰাধীন বিষয়সমূহ আলোচনাৰ বাবে গ্রহণ কৰা নহয়। উপ-সভাপতিগৰাকীয়ে বাৰম্বাৰ প্রতিবাদকাৰী সদস্যসকলে নিজৰ আসন গ্রহণ কৰিবলৈ আৰু সদনৰ কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে এনেধৰণে একেৰাহে সদন পৰিচালনাত ব্যাঘাত হোৱাৰ ফলত ৰাজ্যসভাৰ অধিৱেশনত ৬২ ঘণ্টাৰ অধিক সময় নষ্ট হৈছে। অৱশ্যে উপ-সভাপতিগৰাকীৰ আহ্বানৰ পাছতো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত বিয়লি দুই বজালৈ সদন স্থগিত ৰাখিবলগীয়া হয়। লোকসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। দিনৰ ১১ বজাত নিম্ন সদন মিলিত হোৱাৰ পাছতে বিৰোধী দলসমূহে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী সন্দৰ্ভত আলোচনা বিচাৰি প্রতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই এই সন্দৰ্ভত কয়, যে প্রতিবাদকাৰী সদস্যসকলে পূর্ব পৰিকল্পিতভাৱে সদনৰ কাম-কাজত ব্যাঘাত জন্মাইছে আৰু এয়া গণতন্ত্রৰ পৰিপন্থী। বিগত ১৪ দিন ধৰি সদনৰ কাম-কাজ পৰিচালনাত ব্যাঘাত জন্মিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এয়া গণতান্ত্রিক পৰম্পৰাৰ বাবে শুভ লক্ষণ নহয়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রী ভূপেন্দ্র যাদৱে সংহত বন্যপ্রাণী বসতিৰ স্থল উন্নয়ন আঁচনি সন্দৰ্ভত এটা প্রশ্নৰ উত্তৰ দিয়ে। অধ্যক্ষৰ বাৰম্বাৰ অনুৰোধৰ পাছতো লোকসভাত হুলস্থূলীয়া পৰিস্থিতি আৰু প্রতিবাদ অব্যাহত থকাৰ বাবে সদন দিনৰ দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

000000000

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি নতুন দিল্লীৰ বাবা খৰকসিং মার্গত সাংসদসকলৰ বাবে নৱনির্মিত ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখযোগ্য যে টাইপ ছেভেন আর্হিৰে এই কেইবামহলীয়া ফ্লেটসমূহ নির্মাণ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত প্রধানমন্ত্রীয়ে কয়, যে একবিংশ শতিকাই

উন্নয়নৰ পথ প্ৰশস্ত কৰাৰ লগতে দায়িত্বৰ প্ৰতি সংবেদনশীলতাৰো জন্ম দিছে। ২০১৪ চনৰ পৰা সাংসদসকলৰ বাবে ৩৫০ টা নতুন আবাস নিৰ্মাণ কৰা হৈছে বুলি তেওঁ কয়। সাংসদসকলৰ বাবে আবাসৰ অভাৱ হোৱা সত্ত্বেও ২০০৪ চনৰ পৰা ১৪ চনলৈকে এটাও আবাস গোট নিৰ্মাণ কৰা হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে। এই আৱাসসমূহত বিভিন্ন ৰাজ্যৰ সাংসদসকলে একেলগে থকাটোৱে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ নীতিকো প্ৰতিফলিত কৰে বুলি তেওঁ কয়। শ্ৰী মোদীয়ে কয়, যে এই আৱাসগৃহসমূহৰ চৌহদত থকা চাৰিটা স্তম্ভ দেশৰ চাৰিখন পৱিত্ৰ নদী কৃষ্ণা, গোদাবৰী, কুশি আৰু হুগলী নামেৰে নামকৰণ কৰা হৈছে। নদীৰ নামেৰে নামকৰণ কৰাৰ এই প্ৰক্ৰিয়াই ৰাষ্ট্ৰিক একতাৰ সূত্ৰৰে বান্ধি ৰাখে বুলিও তেওঁ মন্তব্য কৰে। সাংসদসকলে দলীয় মনোভাব অক্ষুণ্ণ ৰাখি কাম কৰাৰ লগতে তেওঁলোকৰ সমন্বিত প্ৰচেষ্টা ৰাষ্ট্ৰৰ বাবে আৰ্হি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে এই কেইবামহলীয়া ভৱনটোত কমেও ১৮০ গৰাকী সাংসদ থাকিব পাৰিব আৰু এই আৱাসসমূহৰ এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক দিশো থাকিব। তেওঁ কয় যে শেহতীয়াকৈ কৰ্তব্য ভৱনৰ উদ্বোধনৰ সময়ত কেইবাটাও মন্ত্ৰালয়ে ভাৰা ভৱনৰ পৰা কাম-কাজ চলোৱাৰ ফলত এহেজাৰ ৫০০ কোটি টকাৰো অধিক টকা ভাৰাৰ নামত ব্যয় হোৱাৰ কথা সদৰি কৰাৰ প্ৰসংগ তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে পুৰণি আবাসসমূহৰ দূৰৱস্থা আৰু সা-সুবিধাৰ অভাৱৰ বাবে সাংসদসকল প্ৰায়ে অসুবিধাৰ সন্মুখীন হৈছিল। নৱনিৰ্মিত আৱাসসমূহত থকা সৌৰ শক্তিসম্পন্ন আন্তঃগাঁথনিৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ভাৰত দ্ৰুতগতিত বহনক্ষম উন্নয়নৰ লক্ষ্যৰে অগ্ৰসৰ হোৱাৰ লক্ষ্যৰে সৌৰশক্তিৰ ক্ষেত্ৰত নতুন সফলতা লাভ কৰি অভিলেখ গঢ়িছে।

উল্লেখযোগ্য যে প্ৰায় ৫ হাজাৰ বৰ্গফুট এলেকা সামৰি নতুনকৈ নিৰ্মাণ কৰা প্ৰতিটো আৱাসত সাংসদসকলৰ বাবে থকাৰ সুবিধাৰ লগতে চৰকাৰী কাম-কাজ কৰিব পৰাকৈ পৰ্যাপ্ত স্থান থাকিব। এই আৱাসসমূহত পৰিৱেশৰ দিশৰ পৰাই বহনক্ষম, শক্তি সংৰক্ষণৰ ব্যৱস্থা, নৱীকৰণযোগ্য শক্তি উৎপাদন আৰু আৱৰ্জনা ব্যৱস্থাপনা থকাৰ লগতে দিব্যাংগসকলৰ বাবে সা-সুবিধা থকাকৈ নিৰ্মাণ কৰা হৈছে। এই বৃহৎ আৱাসিক চৌহদটোত কাৰ্যালয়, কৰ্মচাৰীৰ আৱাস আৰু সামুহিক কেন্দ্ৰৰ বাবে নিৰ্ধাৰিত স্থান সুকীয়াকৈ ৰখাৰ পৰিপ্ৰেক্ষিতত সাংসদসকলে জনপ্ৰতিনিধি হিচাপে নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিব বুলি আশা কৰা হৈছে। বিবৃতিটোত লগতে প্ৰকাশ কৰা মতে, এই চৌহদটোৰ নিৰ্মাণত আধুনিক গাথনিগত মান অনুসৰি ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। তদুপৰি প্ৰতিগৰাকী আৱাসীৰ নিৰাপত্তা নিশ্চিত কৰিব পৰাকৈ ইয়াত ব্যাপক সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

0000000

কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৰাজস্থানৰ ঝুনঝুনুত এটা অনুষ্ঠানত ৩০ লাখৰো অধিক কৃষকক তিনি হাজাৰ ২০০ কোটি টকাৰ শস্য বীমা দাবীৰ ধন বিতৰণ কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কৃষকসকলক শস্য বীমাৰ এই ধনৰাশি প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে তেওঁলোকৰ বেংক একাউণ্টলৈ ডিজিটেলি হস্তান্তৰ কৰা হব। মধ্যপ্ৰদেশৰ কৃষকসকললৈ এহেজাৰ ১৫৬ কোটি টকা, ৰাজস্থানৰ কৃষকসকললৈ এহেজাৰ ১২১ কোটি টকা, চত্তিশগড়ৰ কৃষকসকললৈ ১৫০ কোটি টকা আৰু অন্যান্য ৰাজ্যৰ কৃষকসকললৈ ৭৭৩ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হব। এই অনুষ্ঠানত ৰাজস্থানৰ ঝুনঝুনু, ছিকাৰ,

জয়পুৰ, কটপুটলি-বেহৰো আৰু অন্যান্য জিলাৰ কৃষকসকলে অংশ গ্ৰহণ কৰাৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ বহু সংখ্যক কৃষক ভাৰ্চুৱেল ব্যৱস্থাৰে সংযুক্ত হব।

০০০০০০০

ইউৰোপীয় সংঘৰ বৈদেশিক নীতি প্ৰধান কাজা কাল্লাচে কৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজৰ যিকোনো চুক্তিতে ইউক্ৰেইন আৰু ইউৰোপীয় সংঘক অন্তৰ্ভুক্ত কৰিব লাগিব। কিয়নো উভয় দেশে ইউক্ৰেইনত চলি থকা সংঘৰ্ষৰ সম্ভাব্য যুদ্ধবিৰতি সন্দৰ্ভত আলোচনাৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। কাল্লাচে কৈছে যে পৰৱৰ্তী কি পদক্ষেপ লোৱা হ'ব সেই সন্দৰ্ভত আলোচনা কৰাৰ বাবে আজি ইউৰোপীয় সংঘৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন ভাৰ্চুৱেল বৈঠক অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে ইউৰোপৰ নেতাসকলে এটা যুটীয়া বিবৃতিতত কয়, যে ইউক্ৰেইন সংঘাতৰ কূটনৈতিক সমাধানে ইউক্ৰেইন আৰু ইউৰোপৰ গুৰুত্বপূৰ্ণ নিৰাপত্তাৰ দিশটোক সুৰক্ষা দিব লাগে। উল্লেখযোগ্য যে ইউক্ৰেইনৰ সম্ভাব্য যুদ্ধ বিৰতি সন্দৰ্ভত অহা ১৫ আগষ্টত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত আলোচনা হোৱাৰ কথা।

০০০০০০০০০

পশ্চিম তুৰ্কীৰ চিণ্ডিৰগীত কালি হোৱা এটা ভূমিকম্পৰ ফলত এজন লোকৰ মৃত্যু হোৱাৰ লগতে ২৯ জন লোক আহত হয়। এই ভূমিকম্পত ১৬ টা ভৱন খহি পৰে। ৰিখটাৰ স্কেলত ৬ দশমিক ১ প্ৰাবল্যৰ এই ভূমিকম্প তুৰ্কীৰ ৰাজধানী চহৰ ইষ্টানবুল আৰু আকৰ্ষণীয় পৰ্যটনস্থলী ইজমিৰৰ লগতে কেইবাখনো প্ৰদেশত অনুভূত হয়। দেশখনৰ মন্ত্ৰী আলী য়াৰ্লিকায়াই প্ৰকাশ কৰা মতে সকলো জৰুৰীকালীন দল আৰু দায়িত্ববাহী সংস্থাসমূহ এই স্থানলৈ গৈ উদ্ধাৰ অভিযান আৰম্ভ কৰিছে।

০০০০০০০০০

অসমৰ বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। হৃদয়স্পৰ্শী কথাৰে গীত ৰচনা কৰা গীতিকাৰগৰাকীয়ে ১৯৭৭ চনত নতুন আশা নামৰ চলচ্চিত্ৰৰে অসমৰ চলচ্চিত্ৰত গীত ৰচনাৰ আৰম্ভণি কৰে। কেইবাগৰাকীও খ্যাতনামা শিল্পীয়ে তেওঁ ৰচনা কৰা পাঁচ শতাধিক গীতত কণ্ঠ দিছে। কেইবাখনো চলচ্চিত্ৰত অভিনয়, শতাধিক নাট ৰচনাৰে অসমৰ অভিনয় আৰু সাহিত্য জগতত অৱদান আগবঢ়াই যোৱা গীতিকাৰগৰাকীয়ে কেইবাখনো চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰিছিল। ভ্ৰাম্যমানৰ বাবে টাইটানিক, সেন্দুৰকে ধৰি ভালেমান কালজয়ী নাট ৰচনা আৰু পৰিচালনা কৰা দত্তক ২০১৮-১৯ বৰ্ষৰ ভবেন্দ্ৰনাথ শইকীয়া বঁটা আৰু ২০১৮ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটাৰে সন্মানিত কৰা হৈছিল। তেওঁৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতখনত শোকৰ ছাঁ পৰিছে।

০০০০০০০

চৌদি আৰৱ আৰু য়েমেনৰ ভাৰতৰ ৰাষ্ট্ৰদূত ডাঃ সুহেল খানে য়েমেনৰ ৰাষ্ট্ৰপতি নেতৃত্ব পৰিষদৰ অধ্যক্ষ ডাঃ ৰচদ-অল-অলিমিক সাক্ষাৎ কৰে। তেওঁৰ সৈতে অভিযানৰ উপ-মুৰব্বী আবু মাথেন তথা প্ৰথম সচিব ঋষি ত্ৰিপাঠীও উপস্থিত থাকে। নেতাকেইগৰাকীয়ে দেশকেইখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। ৰাষ্ট্ৰদূতগৰাকীয়ে কয়, যে য়েমেনৰ সৈতে ভাৰতৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছে আৰু অধিক শক্তিশালী কৰা তথা সহযোগিতাৰ নতুন পথ মুকলি কৰাই উদ্দেশ্য। ভাৰত আৰু য়েমেনৰ মাজৰ ব্যৱসায় ২০২৩-২৪ বৰ্ষত প্ৰায় এক বিলিয়ন ডলাৰ হৈছিলগৈ, য'ত ভাৰতৰ পৰা ৰপ্তানি হোৱা ধান, ঘেঁহু, ফাৰ্মাচিটীকেল সামগ্ৰী, বস্ত্ৰ আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰীও আছে।

০০০০০০০০০

সমাপ্ত